**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :19**-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। নামৰূপৰ এম'নিয়া-ইউৰিয়া ব্ৰাউনফিল্ড প্ৰকল্প নিৰ্মাণৰ বাবে ভূমি আৱণ্টনত মন্ত্ৰীসভাৰ অনুমোদন।

২। দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমন।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযোগনামা ৰাজহুৱা কৰাৰ অভিযোগত বিধায়ক অখিল গগৈৰ বিৰুদ্ধে এছ্ আই টিৰ গোচৰ।

৪। মাঘ বিহুৰ সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত সমূহীয়া মাছধৰাত নিষেধাজ্ঞা বলৱৎ কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

**আৰু**

৫। আহমেদাবাদত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেল।

oooooo

অসম মন্ত্ৰীসভাই নামৰূপৰ এম'নিয়া-ইউৰিয়া ব্ৰাউনফিল্ড প্ৰকল্প নিৰ্মাণৰ বাবে প্ৰয়োজন হ'বলগীয়া ভূমি আৱণ্টনত অনুমোদন জনাইছে। দিছপুৰৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীসভাই ধেমাজি জিলাৰ কাৰেং চাপৰিত চি আৰ পি এফৰ গ্ৰুপ চেণ্টাৰ স্থাপনৰ বাবে ৬০৭ বিঘা চৰকাৰী ভূমি হস্তান্তৰত অনুমোদন জনায়। তদুপৰি মিছন বসুন্ধৰাৰ জৰিয়তে লখিমপুৰ, কামৰূপ, বৰপেটা, ধুবুৰী, গোৱালপাৰা, দৰঙৰ ২২৪ টা পৰিয়াল আৰু কামৰূপ, বৰপেটা, গোৱালপাৰা, গোলাঘাট, দৰঙৰ ৮৪ টা পৰিয়াললৈ ভূমি আবণ্টন কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ড° শৰ্মাই চাহ শ্ৰমিকক ভূমি প্ৰদানৰ বাবে ভূমি চিলিং সংশোধন কৰা সন্দৰ্ভত মন্ত্ৰীসভাই অনুমোদন জনোৱাৰ কথাও উল্লেখ কৰে। এই সংশোধনীৰ ফলত সংশ্লিষ্ট জিলাৰ আয়ুক্তসকলে ভূমি আবণ্টনৰ কামত আগবাঢ়িব পাৰিব বুলি তেওঁ উল্লেখ কৰে।

-বাইট-

মন্ত্ৰীসভাৰ বৈঠকত ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজি, গ্ৰামীণৰ অধীনত ২০২৫-২৬ বিত্তীয় বৰ্ষত বি টি চিলৈ ২৫০ কোটি টকা মোকলাই দিয়াৰ বাবে অনুমোদন জনোৱা হয়।

ইপিনে, জৈৱ বৈচিত্ৰ্যৰ দিশত থকা অপৰিসীম গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি গোৱালপাৰা জিলাৰ কুমৰিবিল আৰু ধামাৰবিলক প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰাৰ বাবেও মন্ত্ৰীসভাই সিদ্ধান্ত লয়। ইয়াৰ লগতে

মহিলা টী-২০ দৃষ্টিহীন বিশ্বকাপ ক্রিকেট বিজয়ী ভাৰতীয় দলৰ সদস্যা চিমু দাসক শাৰীৰিক প্ৰশিক্ষক পদত নিযুক্তি দিয়াৰ বাবে মন্ত্ৰীসভাই এটা প্ৰস্তাৱ গ্ৰহণ কৰে। মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ প্ৰস্তুতি সন্দৰ্ভতো বিভিন্ন বিষয়ে আলোচনা কৰে।

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ গুৱাহাটীত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। তেওঁ লগতে বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নৱনিৰ্মিত টাৰ্মিনেল উদ্বোধন কৰিব। এই টাৰ্মিনেলৰ উদ্বোধনে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ আন্তঃগাঁথনিৰ উপৰি যোগাযোগ ব্যৱস্থা, উদ্যোগ-বাণিজ্য আৰু পৰ্যটনকে ধৰি সৰ্বাংগীন উন্নয়ন ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে। শ্ৰী মোদীয়ে  ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে দলীয় কৰ্মকৰ্তাসকলে ৰোড শ্ব'ৰ আয়োজন কৰিছে।

শ্ৰী মোদীয়ে পৰহিলৈ গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** অৰ্থাৎ পৰীক্ষা সম্পৰ্কীয় বিষয় লৈ আলোচনা কৰিব। ইয়াৰ পাছত তেওঁ অসম আন্দোলনৰ অমৰ ছহিদসকলৰ স্মৃতিত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰিব। তেওঁ লগতে ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত ২১ ডিচেম্বৰলৈ দৰ্শনাৰ্থীৰ বাবে ছহিদ স্মাৰক বন্ধ থাকিব বুলি গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে এখন জাননীযোগে প্ৰকাশ কৰিছে। তদুপৰি কাইলৈ আৰু পৰহিলৈ গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী তিনিটা ঘাটৰ ফেৰী সেৱা বন্ধ থাকিব।

শ্ৰীমোদী সেইদিনাই নামৰূপলৈ যাব আৰু তেওঁ নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব। নামৰূপত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পোৰেচেন লিমিটেডৰ বৰ্তমানৰ চৌহদত ১০ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া চতুৰ্থটো সাৰ প্ৰকল্পই ৰাজ্যখনৰ  অৰ্থনীতি শক্তিশালী কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণ সন্দৰ্ভত কালি বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজুকে ধৰি অন্যান্য মন্ত্ৰী, বিধায়ক তথা দলীয় কৰ্মকৰ্তাসকল উপস্থিত থাকে। সভাত প্ৰধানমন্ত্ৰী মোদীৰ দুদিনীয়া ভ্ৰমণসূচীৰ সকলো কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ উদ্দেশ্যে সকলো দিশ সামৰি আলোচনা কৰা হয়।

০০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ অভিযোগনামা ৰাজহুৱা কৰাৰ অভিযোগত বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ বিৰুদ্ধে এছ্ আই টিয়ে গোচৰ ৰুজু কৰিছে। এছ্ আই টিয়ে যোৱা ১২ ডিচেম্বৰত আদালতত দাখিল কৰা গোচৰটোৰ অভিযোগনামাৰ প্ৰতিলিপি আইন বহিঃভূতভাৱে বিধায়কগৰাকীয়ে ৰাজহুৱা কৰাৰ অভিযোগত এছ্ আই টিৰ মুখ্য তদন্তকাৰী বিষয়া ড০ ৰ'জী কলিতাই গুৱাহাটী আৰক্ষীৰ অপৰাধ শাখাত

এজাহাৰ দাখিল কৰিছে। এই এজাহাৰৰ ভিত্তিত আৰক্ষীৰ অপৰাধ শাখাই  এটা গোচৰ ৰুজু কৰিছে। এজাহাৰকাৰীয়ে বিধায়কগৰাকীৰ বিৰুদ্ধে আইন বহিঃভূতভাৱে অভিযোগনামাৰ ব্যৱহাৰ কৰা, ভুল তথ্যৰে অভিযোগনামাৰ প্ৰচাৰ কৰা আৰু অপব্যাখ্যা কৰাৰ অভিযোগ উত্থাপন কৰিছে। তদুপৰি বিধায়ক গগৈয়ে গোচৰটোৰ অভিযুক্তক ৰক্ষণাৱেক্ষণ দিয়াৰ চেষ্টা চলোৱাৰো অভিযোগ উত্থাপন কৰা হৈছে।

ইপিনে জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গক কেন্দ্ৰ কৰি একাংশ ৰাজনৈতিক মহলে চলোৱা প্ৰচাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এনে ধৰণৰ প্ৰচাৰ সম্পূৰ্ণ ভিত্তিহীন  বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে গৰিমা শইকীয়া গাৰ্গৰ সৈতে কোনো ধৰণৰ নিৰ্বাচনী কথা পতা নাই বুলি উল্লেখ কৰিছে। গৰিমা গাৰ্গক ৰাজনীতিৰ সৈতে জৰিত নকৰিবলৈও তেওঁ সকলোকে আহ্বান জনাইছে।

০০০০০০

মাঘ বিহুৰ সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত সমূহীয়া মাছধৰাৰ বিষয়টো গুৰুত্বসহকাৰে বিবেচনা কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰ, সংশ্লিষ্ট বিভাগ আৰু উদ্যান কৰ্তৃপক্ষক অবৈধ মাছধৰা ৰোধ কৰাৰ বাবে আৱশ্যকীয় নিষেধাজ্ঞা বলৱৎ কৰিবলৈ নিৰ্দেশ দিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱচৌধুৰীক লৈ গঠিত এখন বিচাৰপীঠে এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি কালি এই নিৰ্দেশ প্ৰদান কৰে। ন্যায়ালয়ে লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত এনে ধৰণৰ কামকাজ নিয়ন্ত্ৰণ কৰাৰ বাবে লোৱা ব্যৱস্থাৰ বিষয়ে জনাবলৈ কয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত জানুৱাৰীৰ প্ৰথম আৰু দ্বিতীয় সপ্তাহত মাছ্ ধৰা ৰোধ কৰাৰ বাবে লোৱা পদক্ষেপ সন্দৰ্ভত পৰৱৰ্তী শুনানিৰ সময়ত এখন শপতনামা দাখিল কৰিবলৈও ন্যায়ালয়ে নিৰ্দেশ দিয়ে।

০০০০০০

আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰেৰে মুকুতা খেতিৰ বাবে কৃষকসকলক ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদানৰ উদ্দেশ্যে শিৱসাগৰ জিলাত যোৱা ১৭ ডিচেম্বৰৰ পৰা অনুষ্ঠিত সামৰ্থ্য বৃদ্ধি প্ৰশিক্ষণ কাৰ্যসূচীৰ কালি সামৰণি পৰে। জয়সাগৰৰ মৎস্য প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধীক্ষকৰ কাৰ্যালয়ত অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্যসূচীত জিলাখনৰ ৫ গৰাকী প্ৰগতিশীল মীন পালকৰ লগতে বিভাগটোৰ ক্ষেত্ৰ সহায়ক আৰু উন্নয়ন বিষয়াকে ধৰি ২০ জনীয়া এটা দলে অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে কৃষকসকলক মুকুতা উৎপাদনৰ বৈজ্ঞানিক পদ্ধতি আৰু আধুনিক ব্যৱস্থাপনা সন্দৰ্ভত ব্যৱহাৰিক জ্ঞান দিয়া হয়। প্ৰশিক্ষণ কাৰ্যসূচীত অংশ লৈ শিৱসাগৰ জিলাৰ মীন বিষয়া ডং জ্যোতিপ্ৰসাদ ৰয়ে মীনপালকসকলৰ বাবে মুকুতা খেতি বিকল্প আৰু অতিৰিক্ত আয়ৰ অন্যতম উৎস হ'ব পাৰে বুলি উল্লেখ কৰে।

(বাইট-মীন বিষয়া)

০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ আমৰি সমষ্টিৰ অন্তৰ্গত উমছোৱাইত কালি ৩ হাজাৰ ১০০ টা ভূমিহীন পৰিয়ালক ভূমি পট্টা বিতৰণ কৰা হয়। খিলঞ্জীয়া লোকৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ লক্ষ্যৰে আৰম্ভ কৰা পুৰ্থিমি আকেমাং আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাৰ্বি স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এই পৰিয়ালসমূহক ভূমিপট্টা বিতৰণ কৰে। অনাগত সময়ত মুঠ ১ লাখ পৰিয়ালক ভূমি পট্টা বিতৰণ

কৰা হ'ব বুলি শ্ৰী ৰংহাঙে প্ৰকাশ কৰে। অনুষ্ঠানত অংশ লৈ মন্ত্ৰী পীযুষ হাজৰিকাই ৰাজ্যৰ প্ৰতিটো খিলঞ্জীয়া পৰিয়ালৰ ভূমিৰ অধিকাৰ আৰু মৰ্যাদা সুনিশ্চি কৰাৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি মন্তব্য কৰে।

০০০০০০

ডাঃ অমিতাভ চৌধুৰী স্মাৰক ন্যাসৰ উদ্যোগত আজি গুৱাহাটীৰ মাছখোৱা আই টি এ কেন্দ্ৰত দ্বাবিংশতিতম ডাঃ অমিতাভ চৌধুৰী স্মাৰক বক্তৃতাৰ আয়োজন কৰা হৈছে। বিয়লি পাঁচ বজাত হ'বলগীয়া এই অনুষ্ঠানত দিল্লীৰ অল ইণ্ডিয়া ইনষ্টিটিউট অব্ মেডিকেল চায়েন্স চমুকৈ এইমচৰ প্ৰাক্তন অধ্যাপক তথা বিভাগীয় মুৰব্বী পদ্মশ্ৰী ডাঃ ৰণদীপ গুলেৰিয়াই 'চিকিৎসা বিজ্ঞান আৰু কলাৰ ক্ষেত্ৰত ধাৰণা পৰিৱৰ্তন' বিষয়ত বক্তৃতা দিব। উল্লেখযোগ্য যে পথ দুৰ্ঘটনাত মৃত্যু হোৱা হৃদ আৰু শৈল চিকিৎসা বিশেষজ্ঞ ডাঃ অমিতাভ চৌধুৰীৰ স্মৃতিত তেওঁৰ পৰিয়ালে প্ৰতি বছৰে এই বক্তৃতানুষ্ঠানৰ আয়োজন কৰি আহিছে।

০০০০০০

অসম আৰক্ষীয়ে যোৱা বছৰৰ ডিচেম্বৰৰ পৰা অন্য সুৰক্ষা সংস্থাৰ সহযোগত ভাৰত উপ-মহাদেশত অলকায়দাৰ সহযোগী আনছাৰুল বাংলা টীম নামৰ সন্ত্ৰাসবাদী সংগঠনটোৰ ১৪ জন সদস্যক গ্ৰেপ্তাৰ কৰিছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে। শেহতীয়া কেইটামান মাহত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত কেইবাগৰাকীও অবৈধ বাংলাদেশী নাগৰিকক আটক কৰা আৰু ১২ হাজাৰ ৩০০ কিলোগ্ৰাম পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰা বুলিও মন্ত্ৰ্যালয়ে জানিবলৈ দিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ বিষয়াই ভাৰত-বাংলাদেশ সম্বন্ধ ভৱিষ্যত সম্পৰ্কীয় বৈদেশিক পৰিক্ৰমা বিষয়ক সংসদীয় কমিটিক এই কথা অৱগত কৰে। বিষয়াসকলে প্ৰকাশ কৰা মতে শেহতীয়াকৈ বাংলাদেশৰ অভ্যন্তৰীণ সুৰক্ষা পৰিস্থিতি বেয়াৰপিনে ঢাল খোৱাৰ পৰিপ্ৰেক্ষিতত দেশখনৰ সৈতে থকা সীমান্ত অঞ্চলসমূহত সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰা জৰুৰী হৈ পৰিছে। তেওঁলোকে লগতে ভাৰত-বাংলাদেশ সীমান্তৰ মুঠ চাৰি হাজাৰ ৯৬ কিলোমিটাৰৰ ভিতৰত তিনি হাজাৰ ২৩২ কিলোমিটাৰৰ কাইটীয়া তাঁৰৰ বেৰ স্থাপন কৰা হৈছে বুলি জানিবলৈ দিয়ে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ নতুন ১২৫ দিনীয়া নিয়োগ নিশ্চিতকৰণ আঁচনি সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতা আৰু অসম ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ড° দেৱজিৎ মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ পৰিকল্পনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে।

০০০০০০

# NP REVIEW (19-12-2025)

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাককসমূহৰ প্ৰথম পৃষ্ঠাত অনান্য খবৰসমূৰ লগতে বিজেপি দলৰ বিধায়ক বিজয় মালাকাৰলৈ উচ্চ ন্যায়ালয়ে জাননী প্ৰেৰণ কৰা বাতৰিটোৱে শিৰোনাম দখল কৰিছে। ৰাতাবাৰী সমষ্টিৰ দুজন ব্যক্তিয়ে দিয়া গোচৰটোৰ শুনানি লৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ, নিৰ্বাচন আয়োগসহ বিধায়ক মালাকাৰক চাৰি সপ্তাহৰ ভিতৰত উত্তৰ দিবলৈ জাননী জাৰি কৰা হৈছে। **অসমীয়া প্ৰতিদিন** কাকতে প্ৰকাশ কৰা এই বাতৰিটোৰ শিৰোনাম- **'বিজেপি বিধায়ক বিজয় মালাকাৰক বাংলাদেশী আখ্যাৰে হাইকৰ্টত গোচৰ'।** **দৈনিক অগ্ৰদূত**, **দৈনিক অসম**, কাকতেও এই বাতৰিটোক গুৰুত্বসহকৰে প্ৰথমপৃষ্ঠাত স্থান দিছে। অহা ২০ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক দুই লাখ লোকে আদৰণি জনাব আৰু জালুকবাৰীৰ পৰা বশিষ্ঠৰ বিজেপি কাৰ্যালয়লৈ নৰেন্দ্ৰ মোডীয়ে ৰোড শ্ব কৰিব বুলি কালি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা বাতৰিটো **দৈনিক জনমভূমি, অসমীয়া খবৰ** আৰু **দি আচাম ট্ৰিবিউন** কাকতত মুখ্য বাতৰি হিচাপে প্ৰকাশ পাইছে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সম্পৰ্কীয় চাৰ্জশ্বীটৰ অপব্যাখ্যা কৰাৰ অভিযোগত কালি বিধায়ক অখিল গগৈৰ বিৰুদ্ধে SITত গোচৰ ৰুজু হোৱাৰ বাতৰিটোক **আমাৰ অসম, দি চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। শিৱসাগৰৰ ৰূপহীমুখত কালি এটা দম্পতীৰ পথ দূৰ্ঘটনাত কৰুণ মৃত্যু হোৱাৰ বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতত প্ৰকাশ পাইছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছত বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশত পাতলীয়া বৰষুণ হ'ব পাৰে আৰু অসম, নাগালেণ্ড, ত্ৰিপুৰা, মণিপুৰ, মিজোৰাম তথা মেঘালয়ৰ বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত